**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-01-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। ইংৰাজী ২০২৬ বৰ্ষৰ আজি পহিলা দিন। নৱবৰ্ষ উপলক্ষে ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰী আৰু উপ-ৰাষ্ট্ৰপতিয়ে দেশবাসীক ওলগ জনাইছে।

২। কৃত্ৰিম বুদ্ধিমত্তা কেৱল মাত্ৰ একপ্ৰকাৰৰ প্ৰযুক্তিয়ে নহয়, বৰং দেশলৈ ইতিবাচক পৰিৱৰ্তন অনাৰো সুযোগ বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে নতুন শ্ৰম সংহিতাৰ বাবে খচৰা নিয়মাৱলী অধিসূচিত কৰিছে।

৪। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই অসমৰ মুঠ ঘৰুৱা উৎপাদন চলিত বৰ্ষত ৭ লাখ কোটি টকা হ'বগৈ বুলি প্ৰকাশ কৰিছে।

আৰু

৫। কেন্দ্ৰীয় চৰকাৰে পহিলা ফেব্ৰুৱাৰীৰ পৰা ধঁপাতজাতীয় সামগ্ৰীৰ ওপৰত অতিৰিক্ত আবকাৰী শুল্ক আৰু পাণ মচলাৰ ওপৰত নতুন উপ-কৰ আৰোপ কৰা সন্দৰ্ভত অধিসূচনা জাৰি কৰিছে।

০০০০০০০

ইংৰাজী ২০২৬ বৰ্ষৰ আজি পহিলা দিন। নতুন আশা আৰু সম্ভাৱনা লৈ সময়ৰ গণনাত পুনৰ এটা নতুন বছৰ আৰম্ভ হ'ল। পুৰণি বছৰটোৱে কঢ়িয়াই অনা সুখ-দুখ, প্ৰত্যাহ্বান অতিক্ৰমী জনসাধাৰণে নতুন বছৰত নিজক প্ৰতিপন্ন কৰাৰ বাবে চেষ্টা চলাব। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে ভাৰততো যোৱা মাজনিশা ঘড়ীত ১২ বজাৰ লগে লগে জনসাধাৰণে হৰ্ষোল্লাসেৰে নতুন বছৰটোক আদৰণি জনায়। বিভিন্ন ঠাইত শংখধ্বনি আৰু গীৰ্জাৰ ঘণ্টাৰে ইংৰাজী নতুন বছৰক আদৰণি জনোৱা হয়। নিশা বহু পৰলৈকে আতচবাজী আৰু জয়ধ্বনিৰে জনসাধাৰণে ইংৰাজী নতুন বছৰৰ আৰম্ভণিক উদযাপন কৰে।

নৱবৰ্ষ উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে দেশবাসীক ওলগ জনাইছে। ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এটা বাৰ্তাত কয়, যে নতুন বৰ্ষই নতুন উদ্যম আৰু ইতিবাচক পৰিৱৰ্তনক সূচায় আৰু আত্মমন্থন তথা নতুন সংকল্পৰে আগবাঢ়ি যোৱাৰ সুযোগ দিয়ে। শ্ৰীমতী মুৰ্মুৱে নতুন বছৰটোত সকলোকে ৰাষ্ট্ৰৰ উন্নয়ন, সামাজিক সম্প্ৰীতি আৰু পৰিৱেশ সুৰক্ষাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ হ'বলৈ আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত নতুন বছৰে সকলোৰে জীৱনলৈ শান্তি, সুস্বাস্থ্য, আনন্দ আৰু সমৃদ্ধিৰ বতৰা লৈ আহিব আৰু শক্তিশালী তথা উন্নত ভাৰতবৰ্ষ গঢ়ি তোলাৰ সম্পৰ্ক সুদৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী মোদীয়ে নৱবৰ্ষ উপলক্ষে দিয়া এটা বাৰ্তাত ২০২৬ বৰ্ষই সকলোৰে বাবে সু-স্বাস্থ্য, সমৃদ্ধি আৰু সফলতা কঢ়িয়াই অনাৰ লগতে সমাজত সুখ-শান্তি অক্ষুণ্ণ থাকিব বুলি আশা প্ৰকাশ কৰে।

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই নৱবৰ্ষ উপলক্ষে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমযোগে দিয়া এটা ভিডিঅ' বাৰ্তাত শ্ৰী বিৰলাই নতুন বছৰে সকলোৰে জীৱনলৈ নতুন সপোন, ন-উদ্যম, সুযোগ আৰু অপাৰ সমৃদ্ধিৰ বতৰা কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে।

ooooooooo

কৃত্ৰিম বুদ্ধিমত্তা কেৱল মাত্ৰ একপ্ৰকাৰৰ প্ৰযুক্তিয়ে নহয়, বৰং দেশলৈ ইতিবাচক পৰিৱৰ্তন অনাৰো সুযোগ বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে প্ৰকাশ কৰিছে। ৰাষ্ট্ৰপতি ভৱনত আজি কৃত্ৰিম বুদ্ধিমত্তা প্ৰস্তুতিৰ বাবে দক্ষতাৰ বিকাশ – SOAR কাৰ্যসূচীৰ অধীনত আয়োজিত এটা বিশেষ অনুষ্ঠানত ভাষণ দি শ্ৰীমতী মুৰ্মুৱে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে বিভিন্ন ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তাৰ গুৰুত্ব দ্ৰুতভাৱে বৃদ্ধি পাইছে আৰু এই প্ৰযুক্তি শিকাটো সকলোৰে বাবে জৰুৰী হৈ পৰিছে।

অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে একাংশ শিক্ষাৰ্থী আৰু সাংসদক কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰমাণপত্ৰ প্ৰদান কৰে আৰু স্কিল দা নেচন চেলেঞ্জ শীৰ্ষক ৰাষ্ট্ৰীয় সজাগতা অভিযান মুকলি কৰে। শ্ৰীমতী মুৰ্মুৱে নতুন প্ৰযুক্তিৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰাৰ বাবে আৰু নেতৃত্বৰ ভূমিকাত এই প্ৰযুক্তিসমূহৰ ব্যৱহাৰ কৰি নিদৰ্শন দাঙি ধৰাৰ বাবে সাংসদসকলৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয়, যে কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰতি সজাগতা সৃষ্টি আৰু অৰ্থনৈতিক আত্মনিৰ্ভৰশীলতাৰ প্ৰসাৰে এই সজাগতা অভিযানৰ মূল উদ্দেশ্য। লাখ লাখ শিক্ষাৰ্থীৰ সৱলীকৰণ, তেওঁলোকৰ দক্ষতাৰ বিকাশ আৰু দেশত ভৱিষ্যমুখী কৰ্মশক্তি গঢ়ি তোলাৰ ক্ষেত্ৰত এই উদ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ মন্তব্য কৰে।

বাইট

ooooooooo

কেন্দ্ৰীয় চৰকাৰে নতুন শ্ৰম সংহিতাৰ বাবে খচৰা নিয়মাৱলী অধিসূচিত কৰিছে। এই কেইখন হ'ল- মজুৰি সংহিতা, ঔদ্যোগিক সম্পৰ্ক সংহিতা, সামাজিক সুৰক্ষা সংহিতা আৰু বৃত্তিগত সুৰক্ষা, স্বাস্থ্য আৰু কৰ্ম পৰিস্থিতি সংহিতা। এই নিয়মাৱলীত শ্ৰমিক, মজুৰী, নিয়োগৰ প্ৰকাৰ, গ্ৰেচুইটি, বোনাচ আৰু শ্ৰমিকৰ সামাজিক সুৰক্ষাৰ সংজ্ঞা দিয়া হৈছে। এই খচৰা নিয়মাৱলী সন্দৰ্ভত জনসাধাৰণ আৰু সংশ্লিষ্ট পক্ষসমূহৰ পৰা দিহা-পৰামৰ্শ বিচৰা হৈছে। জনসাধাৰণে ৪৫ দিনৰ ভিতৰত দিহা-পৰামৰ্শ আৰু ওজৰ-আপত্তি দাখিল কৰিব পাৰিব। কেন্দ্ৰীয় শ্ৰম মন্ত্ৰালয়ে দেশত বলৱৎ হৈ থকা পুৰণি শ্ৰমিক আইনখন সৰল আৰু সুগম কৰাৰ উদ্দেশ্যে যোৱা ২১ নৱেম্বৰত এই চাৰিখন শ্ৰম সংহিতা ৰূপায়ণৰ কথা ঘোষণা কৰিছিল। মন্ত্ৰালয়ে প্ৰকাশ কৰা মতে নতুন শ্ৰম সংহিতাই শ্ৰমিকসকলৰ বাবে উন্নত মজুৰি, সামাজিক সুৰক্ষা আৰু কল্যাণ নিশ্চিত কৰিব। এই শ্ৰম সংহিতাৰ জৰিয়তে সকলো শ্ৰমিকৰ বাবে সময়মতে ন্যূনতম মজুৰিৰ লগতে যুৱক-যুৱতীসকলৰ বাবে নিযুক্তি পত্ৰ, সম বেতন আৰু মহিলাৰ বাবে সন্মান নিশ্চিত কৰা হৈছে।

এই সংহিতা প্ৰযোজ্য হোৱাৰ ফলত অসংগঠিত খণ্ডৰ প্ৰায় ৪০ কোটি শ্ৰমিক সামাজিক সুৰক্ষাৰ আওতালৈ আহিব আৰু তেওঁলোকে কৰ্মচাৰী ভৱিষৎ নিধি, ই এছ্‌ আই চি আৰু পেঞ্চনৰ দৰে সুবিধাসমূহ লাভ কৰিব। নতুন শ্ৰম সংহিতা অনুসৰি এতিয়াৰে পৰা মহিলাসকলেও নিশাৰ ভাগত কাম কৰিব পাৰিব আৰু তেওঁলোকৰ বাবে শক্তিশালী নিৰাপত্তা ব্যৱস্থা থাকিব। ইয়াৰ জৰিয়তে কৰ্মস্থলীত লিংগ বৈষম্য প্ৰতিৰোধ কৰিব পৰা যাব আৰু মহিলাসকলে উচ্চ দৰমহাৰ চাকৰিৰ লগতে সকলো ধৰণৰ উদ্যোগত কাম কৰাৰ সমান সুবিধা লাভ কৰিব। একেদৰে এই সংহিতাৰ অধীনত ৪০ কোটি শ্ৰমিক সামাজিক সুৰক্ষাৰ আওতালৈ অনাৰ ফলত দেশৰ কৰ্মশক্তি সুৰক্ষিত হ'ব বুলি আশা কৰা হৈছে।

উল্লেখযোগ্য যে স্বাধীনতাৰ আগতে আৰু স্বাধীনতাৰ পাছৰ প্ৰাৰম্ভিক সময়ছোৱাত প্ৰণয়ন কৰা ২৯ খন শ্ৰম আইনক এই চাৰিখন নতুন শ্ৰম সংহিতাত সন্নিৱিষ্ট কৰা হৈছে।

০০০০০০০০০

অসমৰ মুঠ ঘৰুৱা উৎপাদন চলিত বৰ্ষত ৭ লাখ কোটি টকা হ'বগৈ বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। প্ৰতিবছৰৰ দৰে ইংৰাজী নৱবৰ্ষ উপলক্ষে ৰাজ্যখনৰ বিশিষ্ট সাংবাদিকসকলৰ সৈতে 'নতুন দিনৰ আলাপ' শীৰ্ষক সংবাদমেলত অংশ লৈ মুখ্যমন্ত্ৰীগৰাকীয়ে এইদৰে কয়। ড০ শৰ্মাই বিগত বছৰটোত অসমৰ বিকাশৰ খতিয়ান দিয়ে আৰু নতুন বছৰৰ পৰিকল্পনাৰ বিষয়ে অৱগত কৰে। ২০০০ ৰ পৰা ২০০৫ চনলৈ অসমৰ ৪৫ শতাংশ বিকাশ হোৱা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে দেশৰ ভিতৰত অসমৰ অৰ্থনীতিৰ বিকাশ হাৰ সৰ্বাধিক বুলি মন্তব্য কৰে। তেওঁ কয়, যে ৰাজ্যখনত জনমূৰি আয় ৫৪ শতাংশ বৃদ্ধি পোৱাৰ লগতে বিগত সময়ছোৱাত ৰাজহো ৫৩ শতাংশ হাৰত বৃদ্ধি পাইছে। বিত্তীয় ব্যৱস্থাপনাৰ দিশৰ পৰা অসম বৰ্তমান সুস্থিৰ ৰাজ্যৰূপে পৰিগণিত হৈছে বুলি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে।

নতুন ফৌজদাৰী আইন ৰূপায়নৰ ক্ষেত্ৰত অসম দেশৰ সকলো ৰাজ্যৰ ভিতৰত প্ৰথম স্থানত আছে বুলি উল্লেখ কৰি ড০ শৰ্মাহ কয় যে ৰাজ্যখনত দোষী সাব্যস্তকৰণৰ হাৰ সম্প্ৰতি ৮১ শতাংশ। অসম চৰকাৰে কৃষকসকলৰ পৰা ৮ লাখ মেট্ৰিক টন ধান ক্ৰয় কৰাৰ কথা প্ৰকাশ কৰি তেওঁ এই পৰিমাণ পূৰ্বতকৈ ৮০ শতাংশ বৃদ্ধি পাইছে বুলি জানিবলৈ দিয়ে। নতুন বছৰটোত চৰকাৰে বিভিন্ন আঁচনিৰ অধীনত হিতাধিকাৰীসকললৈ প্ৰদান কৰিবলগীয়া সুবিধা সমূহৰ বিষয়ে প্ৰকাশ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে অহা ২০ ফেব্ৰুৱাৰীত অৰুণোদয় আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ মহিলাসকললৈ  ৮ হাজাৰ টকাকৈ আগবঢ়োৱা হ'ব। তদুপৰি বাবু আঁচনিৰ জৰিয়তে স্নাতকোত্তৰ ছাত্ৰক ২ হাজাৰ আৰু স্নাতক পৰ্যায়ৰ ছাত্ৰলৈ এহেজাৰ টকাকৈ প্ৰদান কৰা হ'ব।

মুখ্যমন্ত্ৰীগৰাকীয়ে অহা ১৭ জানুৱাৰীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাজিৰঙাত এলিভেটেড কৰিড'ৰ আধাৰশিলা স্থাপন কৰিব বুলি সংবাদমেলত ঘোষণা কৰে। শ্ৰীমোদীয়ে ফেব্ৰুৱাৰীত কোকৰাঝাৰৰ পৰা গেলেফুলৈ নতুন ৰে'লপথৰ আধাৰশিলা স্থাপন কৰিব বুলি ড° শৰ্মাই প্ৰকাশ কৰে।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে প্ৰতিৰক্ষা গৱেষণা আৰু উন্নয়ন সংস্থা - DRDO দিৱস উপলক্ষে সংস্থাটোৰ সৈতে জড়িত বিজ্ঞানী, কৰ্মচাৰী আৰু তেওঁলোকৰ পৰিয়ালবৰ্গক শুভেচ্ছা জ্ঞাপন কৰিছে। শ্ৰী সিঙে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত সংগঠনটোৰ অভূতপূৰ্ব প্ৰতিশ্ৰুতিবদ্ধতা, বৈজ্ঞানিক উৎকৃষ্টতা আৰু ৰাষ্ট্ৰীয় কৰ্তব্যৰ প্ৰবল ভাৱনাৰ ভূয়সী প্ৰশংসা কৰে। তেওঁ কয়, যে এই গুণসমূহ দেশৰ প্ৰতিৰক্ষা প্ৰস্তুতিৰ সুদৃঢ়কৰণ আৰু প্ৰতিৰক্ষা খণ্ডত আত্মনিৰ্ভৰ ভাৰতৰ সপোন পূৰণৰ বাবে অতিকে গুৰুত্বপূৰ্ণ। তেওঁ কয়, যে থলুৱা আৰু ভৱিষ্যতমুখী প্ৰযুক্তিৰ বিকাশৰ জৰিয়তে DRDO-ই দেশৰ কৌশলগত স্বতন্ত্ৰতা নিশ্চিত কৰিছে আৰু সশস্ত্ৰ বাহিনীসমূহৰ আত্মবিশ্বাস বৃদ্ধি কৰিছে।

০০০০০০০০০

সমাপ্ত